**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। সাত বিহুৰ তৃতীয় দিনা আজি অসমবাসীৰ গোঁসাই বিহু পালন।

২। ৰাজ্যৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ অভিযান চলোৱাৰ বাবে কাইলৈ বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ। ১৭ এপ্ৰিলত নলবাৰীত নিৰ্বাচনী সভাত অংশগ্ৰহণ। কংগ্ৰেছ তথা আন বিৰোধী দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযান তুংগত।

৩। লোকসভা নিৰ্বাচনৰ পাছতে অসম মন্ত্ৰীসভাৰ ব্যাপক সালসলনি হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি এখন খেলত মুম্বাই ইণ্ডিয়ানছ চেন্নাই ছুপাৰ কিংছৰ হাতত পৰাস্ত।

ooooo

আজি গোসাঁই বিহু। সাদিনীয়া বিহুৰ তৃতীয় দিনটো অসমবাসীয়ে আজি পৰম্পৰাগতভাৱে গোসাঁই বিহু হিচাপে পালন কৰে। সেই অনুসৰি অসমৰ ৰাইজে ৰাজহুৱা নামঘৰ, সত্ৰ আদিত নাম-প্ৰসংগ কৰে।

ইফালে, ৰাজ্যজুৰি বহাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভৰলুমুখ, চানমাৰি, গণেশগুৰি, নুনমাটি, বেলতলাকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰিছে। লখিমপুৰ জিলাত অসম অনুসূচিত জাতি যুৱ ছাত্ৰ সন্থা জিলা সমিতিৰ উদ্যোগত ১৩৩ সংখ্যক কেন্দ্ৰীয় আম্বেদকাৰ জয়ন্তী উপলক্ষে কালি মুকলি বিহুৰ আয়োজন কৰা হয়। গোলাঘাট জিলাৰ হাতীয়েখোৱাত ফ্ৰেণ্ডশ্বিপ ক্লাবৰ উদ্যোগত আয়োজিত মুকলি বিহুৰ কাৰ্যসূচীত ডেকা-গাভৰুৰ লগতে কণ-কণ শিশুৱে অংশগ্ৰহণ কৰে। আনহাতে কামৰূপ জিলাৰ ছয়গাঁৱৰ আমতলা গাঁৱৰ ৰঙালী বিহুৰ মঞ্চত কালি পহিলা ব'হাগৰ দিনা ব্যতিক্ৰমী পৰিবেশ দেখিবলৈ পোৱা যায়। বিহু মঞ্চত বৈষ্ণৱ ভকতক শ্ৰীমদ্ভাগৱত গীতা, চেলেং, গামোচা আৰু মানপত্ৰ প্ৰদান কৰাৰ লগতে গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা বয়োজ্যেষ্ঠ গাঁওবুঢ়াক সম্বৰ্ধনা জনোৱা হয়। ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে প্ৰৱাসত থকা অসমীয়াসকলেও ৰঙালী বিহু উলহ মালহেৰে পালন কৰাৰ বাতৰি পোৱা গৈছে।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। দলসমূহে শীৰ্ষ নেতৃত্ব আৰু তাৰকা প্ৰচাৰকৰ উপস্থিতিত সমষ্টিসমূহৰ ঠায়ে ঠায়ে

জনসমাবেশ, মটৰ চাইকেল সমদল, ৰোড শ্ব' আদি অনুষ্ঠিত কৰিও প্ৰচাৰ চলাইছে। তদুপৰি বিভিন্ন অঞ্চললৈ গৈ ভোটদাতা ৰাইজৰ সৈতে মত বিনিময় কৰি প্ৰাৰ্থীসকলে তেওঁলোকৰ মন জয় কৰাৰ চেষ্টা চলাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৭ এপ্ৰিলত বৰপেটা আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা। এই সভাৰ প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে কালি তামুলপুৰত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এখন বৈঠকত মিলিত হয়।

ইপিনে ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে আজি মাকোমত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। শ্ৰীসোণোৱালে বিয়লিৰ ভাগত ডিগবৈৰ বৰবিল হনুমান মন্দিৰৰ পৰা গান্ধী ময়দানলৈ এটা পদযাত্ৰাতো অংশ ল'ব। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ আজি হোজাইৰ লামডিঙত এখন জনসভাত অংশগ্ৰহণ কৰাৰ কথা। ড০ শৰ্মাই কালি হোজাই আৰু শোণিতপুৰৰ কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ডিব্ৰুগড় সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে কালি খোৱাং বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। একেদৰে যোৰহাট সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে যোৰহাট নগৰত কেইবাটাও প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ডিফু লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী অমৰ সিং তিচ'ৱে কাৰ্বি আংলং আৰু ডিমা হাচাও স্বায়ত্বশাসিত পৰিষদৰ প্ৰতিটো পৰিষদীয় সমষ্টিত প্ৰচাৰ অব্যাহত ৰাখিছে। একেদৰে কংগ্ৰেছ আৰু অল পাৰ্টী হিল্‌ছ লিডাৰ কনফাৰেন্স দলৰ প্ৰাৰ্থী জয়ৰাম ইংলেং আৰু জন ইংতি কাঠাৰে গাঁৱে গাঁৱে গৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিছে।

১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ত ১৭ খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২ খন লোকসভা আসনৰ বাবে নিৰ্বাচন হ'ব। তদুপৰি চিকিমৰ ৩২ খন আৰু অৰুণাচল প্ৰদেশৰ ৬০ খন বিধানসভা আসনৰ বাবে এই পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে কালি সংকল্পপত্ৰ নামেৰে দলীয় ইস্তাহাৰ প্ৰকাশ কৰে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জ্যেষ্ঠ নেতা ৰাজনাথ সিঙৰ উপস্থিতিত দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই নতুন দিল্লীস্থিত দলৰ মুখ্য কাৰ্যালয়ত এই ইস্তাহাৰ জাৰি কৰে। ইস্তাহাৰত দলে উমৈহতীয়া দেৱানি বিধি, এখন ৰাষ্ট্ৰ-এটা নিৰ্বাচন আৰু একক নিৰ্বাচন তালিকাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। দলে লগতে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অধীনত পৰৱৰ্তী ৫ বছৰৰ বাবে বিনামূলীয়া ৰেচন যোগান ব্যৱস্থা অব্যাহত ৰখাৰ লগতে জ্যেষ্ঠ নাগৰিকসকলক সামৰি লোৱাৰ বাবে আয়ুষ্মান ভাৰত যোজনাৰ সম্প্ৰসাৰণৰ প্ৰতিশ্ৰুতিও দিছে। সংকল্পপত্ৰত সবলীকৰণৰ জৰিয়তে ৩ কোটি মহিলাক লাখপতি বাইদেউৰূপে গঢ়ি তোলা আৰু প্ৰধানমন্ত্ৰী সূৰ্যঘৰ যোজনাৰে বিদ্যুৎ মাচুল শূন্য কৰাৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

নিৰ্বাচনী ইস্তাহাৰখনত উত্তৰ-পূৰ্বাঞ্চলৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি অঞ্চলটোত শান্তি বৰ্তাই ৰখাৰ বিষয়ে উল্লেখ কৰা হৈছে। ইস্তাহাৰত দলে অশান্ত এলেকাসমূহৰ বিষয়সমূহ দূৰ কৰাৰ লগতে পৰ্যায়ক্ৰমে সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰৰ বাবে চেষ্টা অব্যাহত ৰাখিব বুলি ঘোষণা কৰা হৈছে। দলে লগতে

নিৰন্তৰ প্ৰচেষ্টাৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজৰ আন্তৰাজ্যিক সীমান্ত বিবাদ নিষ্পত্তিৰ বাবে কাম কৰাৰ প্ৰতিশ্ৰুতি দিছে।

ইস্তাহাৰ মুকলি কৰাৰ পাছত দলৰ জ্যেষ্ঠ নেতা আৰু প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, সংকল্প পত্ৰই উন্নত ৰাষ্ট্ৰৰ ৪টা শক্তিশালী স্তম্ভ যুৱ প্ৰজন্ম, মহিলা, খেতিয়ক আৰু দৰিদ্ৰসকলক সবল কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

০০০০০

লোকসভা নিৰ্বাচন উপলক্ষে ৰাজ্য চৰকাৰে ভোটগ্ৰহণৰ দিনকেইটাত বেতনসহ ছুটী ঘোষণা কৰিছে। অসম চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগে জাৰি কৰা অধিসূচনা অনুযায়ী অসমত ৩টা পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ১৯ এপ্ৰিল, ২৬ এপ্ৰিল আৰু ৭ মে' দিনকেইটাত সকলো কাৰখানা, চাহ বাগিচা, দোকান তথা বাণিজ্যিক প্ৰতিষ্ঠান, ৰাজহুৱা আমোদ প্ৰমোদ বা বিনোদন প্ৰতিষ্ঠানকে ধৰি সকলো উদ্যোগ, কৰ্মশালা, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু বেংক তথা অন্যান্য বিত্তীয় প্ৰতিষ্ঠানসমূহৰ কৰ্মচাৰীসকলৰ কাৰণে বেতনসহ ছুটী ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে জনপ্ৰতিনিধিত্ব আইনৰ ১৩৫ নম্বৰ ধাৰা অনুযায়ী ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিৰ ক্ষেত্ৰত সমষ্টিটোৰ বাহিৰত কৰ্মৰত কৰ্মচাৰীসকলৰ বাবেহে এই নিৰ্দেশনা প্ৰযোজ্য হব। একে ধাৰা অনুযায়ী অসমৰ সীমামূৰীয়া জিলাত বাস কৰা চুবুৰীয়া ৰাজ্যৰ ভোটাৰসকলেও নিজৰ সমষ্টিত ভোটগ্ৰহণৰ বাবে বেতনসহ ছুটীৰ সুবিধা লাভ কৰিব। পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হ'লেও নিৰ্বাচন অনুষ্ঠিত হোৱাৰ দিনা কৰ্মচাৰীসকলৰ ক্ষেত্ৰত নিৰ্দেশনা প্ৰযোজ্য হ'ব।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ কালি নিশাৰ **চলন্তিকা-লোকনিৰ্ণয় ২০২৪** শীৰ্ষক অনুষ্ঠানত বাক্সা জিলাৰ আয়ুক্ত কৃষ্ণা বৰুৱাৰ সৈতে সমাগত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ সন্দৰ্ভত আলোচনা কৰা হয়। বাক্সা জিলাৰ আমাৰ সংবাদদাতাই আঁত ধৰা অনুষ্ঠানটিত জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ দুটা লোকসভা সমষ্টি ক্ৰমে দৰং-ওদালগুৰিত ২৬ এপ্ৰিলত আৰু কোকৰাঝাৰত ৭ মে'ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰে। তেওঁ কয় যে, ৮ লাখৰো অধিক ভোটদাতাই ভোটদান কৰিবলগীয়া জিলাখনত ৯৪৬টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে দৰং-ওদালগুৰি সমষ্টিত ১২টা স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰ আছে বুলি উল্লেখ কৰি জিলা আয়ুক্তগৰাকীয়ে কয় যে, সমষ্টিটোৰ ৫০ গৰাকী খণ্ড বিষয়াই ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰিদৰ্শন কৰি আছে। আনহাতে নতুন ভোটদাতাসকলক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে বাটৰ নাট আদিকে ধৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি চাহ বাগান অঞ্চলৰ ভোটদাতাসকলৰ মাজত ভোটদানৰ গুৰুত্ব বৃদ্ধিৰ বাবে এখন ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰাৰ কথা তেওঁ জানিবলৈ দিয়ে।

০০০০০

প্ৰধানমন্ত্ৰী স্ব-নিধি আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰতে আগশাৰীৰ ৰাজ্য বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মত প্ৰকাশ কৰিছে। ৰাজ্যত প্ৰধানমন্ত্ৰীৰ এই অভিলাসী এই আঁচনিৰ অধীনত বিতৰণৰ হাৰ ৯০ শতাংশতকৈও অধিক বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ক্ষুদ্ৰ আৰু পথ ব্যৱসায়ীক এই আঁচনিৰ অধীনত সহায় কৰাৰ বাবে অসম চৰকাৰে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০

কেৰালাত দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মুখ্য ৰাজনৈতিক দলসমূহৰ নেতাসকলে নিৰ্বাচনী প্ৰচাৰত ভাগ লোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা আলাঠুৰ সংৰক্ষিত সংসদীয় সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী ড০ টি এন ছাৰাচুৰৰ সমৰ্থনত চিৰুবাট্টানীত এখন জনসভাত ভাগ ল'ব। ইয়াৰ পাছত তেওঁ আট্টিংগলত দলৰ প্ৰাৰ্থী তথা বিদেশ পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী ভি মুৰুলীধৰণৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। বিয়লিৰ ভাগত তেওঁ নতুন দিল্লীলৈ উভতি যাব। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙেও অহা বৃহস্পতিবাৰে কেৰালাত প্ৰচাৰ অভিযানত অংশ ল'ব।

ইফালে কংগ্ৰেছ নেতা তথা ৱায়ানাড লোকসভা সমষ্টিৰ প্ৰাৰ্থী ৰাহুল গান্ধীয়ে আজি আৰু কাইলৈ কেৰালাত প্ৰচাৰ অভিযান চলাব। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু সাধাৰণ সচিব প্ৰিয়ংকা গান্ধীয়ে ক্ৰমে ২০ আৰু ২২ এপ্ৰিলত ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

ooooo

লোকসভা নিৰ্বাচনৰ পাছতে অসম মন্ত্ৰীসভাৰ ব্যাপক সালসলনি হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। নিৰ্বাচনী প্ৰচাৰ অভিযানৰ মাজত মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি মন্ত্ৰী সভাৰ সালসলনি কৰা হ'ব। বৰাকৰ এজন মন্ত্ৰী লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে মন্ত্ৰীসভাত বৰাক উপত্যকা প্ৰতিনিধিত্বহীন হ'ব বুলি তেওঁ উল্লেখ কৰে। তেতিয়া বৰাকৰ পৰা এজন মন্ত্ৰীক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়।

ooooo

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক বিধি বলৱৎকাৰী সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰা কাৰ্যক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত দাখিল কৰা আবেদনৰ আজি শুনানি হ'ব। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ সঞ্জীৱ খান্না আৰু দিপাংকৰ দত্তৰ দ্বাৰা গঠিত খণ্ড বিচাৰপীঠে কেজৰিৱালৰ আবেদনৰ শুনানি গ্ৰহণ কৰিব। উল্লেখ্য যে ৯ এপ্ৰিলত দিল্লী উচ্চ ন্যায়ালয়ে কেজৰিৱালৰ গ্ৰেপ্তাৰক বৈধ আখ্যা দিছিল। দিল্লী উচ্চ ন্যায়ালয়ৰ এই ৰায়ৰ পাছতে অৰবিন্দ কেজৰিৱাল সৰ্বোচ্চ ন্যায়ালয়ৰ শৰণাপন্ন হয়। দিল্লীৰ আবকাৰী কেলেংকাৰীৰ গোচৰত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক যোৱা ২১ মাৰ্চত বিধি বলৱৎকাৰী সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰে। সম্প্ৰতি দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকী তিহাৰ জেলত ন্যায়িক জিম্মাত আছে।

ooooo

ইণ্ডোনেছিয়াৰ দক্ষিণ চুলাৱেছী প্ৰদেশৰ তানা তুৰাজা জিলাত কালি ভূমিস্খলনৰ ফলত কমেও ১৫ জন লোকৰ মৃত্যু হয়। স্থানীয় কৰ্তৃপক্ষই জনোৱা মতে অঞ্চলটোত দুজন ব্যক্তি এতিয়াও সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী বাহিনীয়ে এটি শিশুকে ধৰি দুজন লোকক ধ্বংসস্তূপৰ মাজৰ পৰা উদ্ধাৰ কৰাৰ বিপৰীতে আৰক্ষী, সেনা তথা স্বেচ্ছাসেৱকসকলে নিৰুদ্দিষ্ট লোককেইজনৰ সন্ধানত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। প্ৰতিকূল বতৰ তথা যোগাযোগ ব্যৱস্থাৰ ব্যাঘাতৰ বাবে উদ্ধাৰ অভিযানত জটিলতাৰ সৃষ্টি হৈছে বুলি কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, তানা তুৰাজা জিলা আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত বিগত সপ্তাহজুৰি প্ৰবল বৃষ্টিপাত হৈ আছিল। দেশখনৰ সুমাত্ৰা দ্বীপত যোৱা মাহত আকস্মিক বান আৰু ভূমিস্খলনৰ ফলত নিৰুদ্দিষ্ট হোৱা কমেও ৩০ জন লোক এতিয়াও সন্ধানহীন হৈ আছে।

ooooo

ইৰানে ইজৰাইলৰ ভূ-খণ্ডত ক্ষেপণাস্ত্ৰ আক্ৰমণ কৰাৰ পাছত ভাৰতৰ বিদেশ মন্ত্ৰী এছ জয়শংকৰে ইৰান-ইজৰাইলৰ বিদেশ মন্ত্ৰীৰ লগত বাৰ্তালাপ কৰি দুই দেশক সংযম ৰক্ষা কৰাৰ আহ্বান জনায়। ইৰানে ইজৰাইলত ২০০ৰো অধিক ড্ৰোণ আৰু ক্ষেপণাস্ত্ৰৰে আঘাত  ৰাৰ ২৪ ঘণ্টা পাছত দুয়ো দেশৰ বিদেশমন্ত্ৰীগৰাকীয়ে পৰিস্থিতিৰ পৰ্যালোচনা কৰে। ইৰানৰ বিদেশ মন্ত্ৰীৰে হোৱা বাৰ্তালাপত ভাৰতৰ বিদেশ মন্ত্ৰীগৰাকীয়ে ইৰানে বন্দী কৰা ১৭ ভাৰতীয় নাগৰিকক মুকলি কৰি দিবলৈ আহ্বান জনায়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত কালি কলকাতা নাইট ৰাইডাৰ্ছে, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬১ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ নিকোলাছ পুৰানে ৪৫ ৰান কৰাৰ লগতে কে এল ৰাহুলে ৩৯ ৰান কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে ১৫ অভাৰ ৪টা বলতে বিজয় লক্ষ্যত উপনীত হয়। দলটোৰ হৈ ফিলিপ ছল্টে ৮৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। ছল্টক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইপিনে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন খেলত চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ২০ ৰানত পৰাজিত কৰে।

০০০০০

কিৰ্গিস্তানৰ বিচকেকত অনুষ্ঠিত ছিনিয়ৰ এছিয়ান মল্লযুজঁ প্ৰতিযোগিতাত  ভাৰতীয় মহিলা মল্লযুজাঁৰুৰ দলটোৱে দুটা ৰূপৰ আৰু দুটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। কালি অনুষ্ঠিত মহিলাৰ ৭২ কেজি শাখাৰ এখন খেলত ভাৰতৰ হৰ্ষিতা চীনৰ কুয়ান জিয়াঙৰ হাতত ২-৫ ফলাফলত পৰাস্ত হোৱাৰ বিপৰীতে অঞ্জু পাংঘাল ৫৩ কেজি শাখাত উত্তৰ কোৰিয়াৰ জি হিয়াং কিমৰ হাতত শূন্য-১০ ফলাফলত পৰাজিত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়।

ইয়াৰ বিপৰীতে মহিলাৰ ৬৫ কেজি শাখাত ভাৰতৰ অন্তিম পাঘালে দক্ষিণ কোৰিয়াৰ ছু বিন কিমক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। সমান্তৰালকৈ মহিলাৰ ৬২ কেজি শাখাত মনীষা ভানৱালাই হাংগেৰীৰ এৰিয়ান জেৰালিন কাৰ্পিঅ'ক পৰাস্ত কৰি ব্ৰঞ্জৰ পদ হস্তগত কৰে।

০০০০০

সমাপ্ত